জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৪/২০২১

# বিশিষ্ট সাংবাদিক, সাহিত্যিক শিৰচৰণ কলিতাৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৪ মে' ঃ** বিশিষ্ট সাংবাদিক, সাহিত্যিক শিৰচৰণ কলিতাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত সাংবাদিক তথা সাহিত্যিকগৰাকীয়ে ৰাজ্যখনৰ সংবাদ আৰু সাহিত্য জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তদুপৰি প্ৰয়াত শিৰচৰণ কলিতাই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি আমাৰ সমাজ জীৱনলৈ যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সাংবাদিকৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত শিৰচৰণ কলিতাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকলক গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বংভাঃ / পুঃডেঃ**
**১৪/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in